# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 03-Nov-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
### HEADLINES
**::::::::::::::::::**

১।	স্নাতক যুৱক-যুৱতীসকলক সকাহ দিয়াৰ উদ্দেশ্যে দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ উদ্যোগত আজি **মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা আঁচনি**ৰ শুভাৰম্ভ।

২।	গৃহ মন্ত্ৰালয়ৰ অনুমোদনৰ পাছত জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ তদন্তৰ অভিযোগনামা ১০ ডিচেম্বৰৰ ভিতৰত দাখিল কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

৩।	ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ।

৪।	২০২৫ বৰ্ষৰ অসম প্ৰকাশন পৰিষদ সাহিত্য বঁটাৰ বাবে গ্ৰন্থ আহ্বান। আৱেদনৰ অন্তিম তাৰিখ ২০ নৱেম্বৰ।

*আৰু*

৫।	বিশ্বকাপ জয়ী মহিলা দলক ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদৰ ৫১ কোটি টকাৰ পুৰস্কাৰ ঘোষণা।

ooooo

স্নাতক যুৱক-যুৱতীসকলক সকাহ দিয়াৰ উদ্দেশ্যে দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ উদ্যোগত আজি **মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা আঁচনি**ৰ শুভাৰম্ভ কৰা হৈছে। দিছপুৰৰ লোকসেৱা ভৱনত এই উপলক্ষে আজি কিছু সময়ৰ পূৰ্বে আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই আঁচনিখন মুকলি কৰে। অনুষ্ঠানত দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকনো উপস্থিত থাকে। এই আঁচনিৰ জৰিয়তে চাকৰিৰ সন্ধানত থকা যুৱক-যুৱতীসকলক বিভিন্ন পৰীক্ষাৰ প্ৰস্তুতিকে ধৰি অন্যান্য ক্ষেত্ৰত সহায়ক হোৱাকৈ এবছৰলৈ প্ৰতিমাহে দুহেজাৰ ৫০০ টকাকৈ আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব। ৰাজ্য বা কেন্দ্ৰীয় চৰকাৰৰ শিক্ষানুষ্ঠান অথবা ৰাজহুৱা প্ৰতিষ্ঠানৰ পৰা ২০২৫ বৰ্ষত স্নাতক ডিগ্ৰী লাভ কৰা যুৱক-যুৱতীসকলে এই আঁচনিৰ বাবে আবেদন কৰিব পাৰিব। শিক্ষাৰ্থীসকল অসমৰ স্থায়ী বাসিন্দা হ'ব লাগিব।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি শোণিতপুৰ জিলাৰ জামুগুৰিহাটত নদুৱাৰ বিধানসভা সমষ্টিৰ বাবে মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানৰ অধীনত প্ৰাৰম্ভিক পুঁজিৰ চেক বিতৰণ কৰে। জামুগুৰিহাটৰ ঐতিহ্যমণ্ডিত

বাৰেচহৰীয়া ভাওনা ক্ষেত্ৰ পকামূৰা পথাৰত আয়োজিত জনসভাত সমষ্টিটোৰ ৩১ হাজাৰ ৪৫ গৰাকী আত্মসহায়ক গোটৰ সদস্যাক ১০ হাজাৰ টকাকৈ প্ৰাৰম্ভিক পুঁজিৰ চেক বিতৰণ কৰা হয়। এই উপলক্ষে দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে কয়, যে যোৱা ১ এপ্ৰিলত বিহালী সমষ্টিত শুভাৰম্ভ কৰা মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযান ৰাজ্যৰ সকলোবোৰ সমষ্টিত ৰূপায়ণ কৰাৰ প্ৰক্ৰিয়া চলি আছে।

**ৰাইট (চি এম)**

ৰাজ্যৰ মহিলাসকলে কৰ্মপ্ৰেৰণাৰে কৰ্ম সংস্কৃতিৰ সৃষ্টি কৰিছে বুলি কৰি তেওঁ কয়, যে আত্মসহায়ক গোটসমূহ গঠন হোৱাৰ পাছত ৰাজ্যৰ মহিলাসকলে বিত্তীয় লেনদেনৰ ক্ষেত্ৰত অভিজ্ঞতা অৰ্জন কৰাৰ লগতে বিভিন্ন কাম-কাজত স্বাৱলম্বী হৈছে। এই আঁচনিখনৰ দ্বিতীয় আৰু তৃতীয় পৰ্যায়ত মহিলাসকলক ক্ৰমে ২৫ আৰু ৫০ হাজাৰ টকা প্ৰদানৰ পৰিকল্পনা লোৱা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। এই আঁচনিখন সফলভাৱে ৰূপায়ণৰ বাবে তেওঁ এশটা সমষ্টি ভ্ৰমণ কৰি মহিলাসকলক একোগৰাকী উদ্যমী হিচাপে গঢ়ি তোলাৰ বাবে উৎসাহিত কৰিছে বুলিও তেওঁ জানিবলৈ দিয়ে। আজিৰ সভাত মন্ত্ৰী পীযূষ হাজৰিকা, বিধায়ক পদ্ম হাজৰিকাৰ উপৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। এই অনুষ্ঠানৰ পাছতে মুখ্যমন্ত্ৰীয়ে গহপুৰত প্ৰস্তাৱিত ছহিদ কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয়ৰ স্থান পৰিদৰ্শন কৰে। উল্লেখযোগ্য যে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ৮ নৱেম্বৰত বিশ্ববিদ্যালয়খনৰ আধাৰশিলা স্থাপন কৰিব। মুখ্যমন্ত্ৰীয়ে এই সভাৰ প্ৰস্তুতিৰ বুজ লৈ যাৱতীয় নিৰ্দেশনা দিয়ে।

০০০০০

শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰ তদন্তৰ অন্তত ডিচেম্বৰৰ ১০ তাৰিখৰ ভিতৰতে অভিযোগনামা দাখিল কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই আজি পুনৰ প্ৰকাশ কৰিছে। সাংবাদিকৰ আগত মুখ্যমন্ত্ৰীয়ে কয়, যে এই অভিযোগনামা ১৭ ডিচেম্বৰৰ পূৰ্বে দাখিল কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছিল যদিও ৮ তাৰিখৰ ভিতৰতে এই অভিযোগনামা দাখিলৰ বাবে মুখ্যমন্ত্ৰীয়ে পৰামৰ্শ দিছে। অভিযোগনামা দাখিল প্ৰক্ৰিয়াত কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ অনুমোদন প্ৰয়োজন হোৱা হেতুকে মুখ্যমন্ত্ৰীয়ে কালি এই অনুমোদনৰ সন্দৰ্ভত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ সৈতে নতুন দিল্লীত আলোচনা কৰে বুলিও জানিবলৈ দিয়ে।

ইপিনে আজিও অসম আৰক্ষীৰ বিশেষ তদন্তকাৰী গোটে কেইবাগৰাকীও লোকৰ সাক্ষ্য গ্ৰহণ কৰে। জুবিন গাৰ্গৰ সহযোগী কণ্ঠশিল্পী শতাব্দী বৰাৰ আজি পুনৰ সাক্ষ্য লোৱা হয়। একেদৰে সাংবাদিক তথা ইউটিউবাৰ চক্ৰপাণি পৰাশৰৰো আজি আৰক্ষীয়ে সাক্ষ্য গ্ৰহণ কৰে।

০০০০০

জাগীৰোডত ২৭ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মীয়মান ছেমি কণ্ডাক্টৰ প্ৰকল্পৰ ৮০ শতাংশ কাম সম্পূৰ্ণ হৈছে। মৰিগাঁও জিলাৰ আয়ুক্ত অনামিকা তিৱাৰীয়ে আজি প্ৰকল্পস্থলী পৰিদৰ্শন কৰে। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই অহা বছৰৰ ফেব্ৰুৱাৰীত এই প্ৰকল্পটো মুকলি কৰা হ'ব বুলি ঘোষণা কৰিছিল। আজি জিলাখনৰ আয়ুক্তগৰাকীয়ে প্ৰকল্পটোৰ কাম-কাজৰ দায়িত্বত থকা লোকসকলৰ সৈতে আলোচনাত মিলিত হয়। এই প্ৰকল্পটোত প্ৰতিদিনে ৪ কোটি ৮০ লাখ চিপ্ উৎপাদন কৰাৰ লগতে ২৭ হাজাৰৰো অধিক কৰ্মসংস্থাপন সৃষ্টি কৰা হ'ব বুলি আশা কৰা হৈছে।

০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। সত্ৰ সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ মাজুলী, লখিমপুৰ, ধেমাজি আৰু নামনি অসমৰ হাউলী, পলাশবাৰী, টিহু, নলবাৰী, পাঠশালা, পাটাছাৰকুছি, তামুলপুৰ, মৰিগাঁৱকে ধৰি বিভিন্ন ঠাইত ৰাস উৎসৱৰ আয়োজন কৰা হৈছে। যোৱা এমাহজোৰা আখৰাৰ পাছত শিল্পী, কলা-কুশলীসকলে ৰাস মহোৎসৱৰ শ শ বছৰীয়া পৰম্পৰা পালনৰ বাবে সাজু হৈছে। আজি ৰাসৰ নাট পৰম্পৰাৰ বৰ আখৰা অনুষ্ঠিত হৈছে।

মাজুলীৰ অৰ্ধ শতাধিক ৰাস মঞ্চত আজি কলা-কুশলীসকলে ৰাসৰ নাটৰ বৰ আখৰা আৰম্ভ কৰিছে। জিলাখনৰ উত্তৰ-কমলাবাৰী সত্ৰত ৩৫২ বছৰীয়া পৰম্পৰা অক্ষুণ্ণ ৰাখি ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে। মহাপুৰুষ শংকৰদেৰৰ অমৰ সৃষ্টি কেলিগোপাল নাটৰ আধাৰত ব্ৰজাৱলী ভাষাত কাইলৈ, পৰহিলৈ আৰু অহা ৬ নৱেম্বৰত কমলাকান্ত আতা ক্ষেত্ৰত ৰাস অনুষ্ঠিত হ'ব। এই ৰাস মহোৎসৱৰ লগত সংগতি ৰাখি মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয় আৰু উত্তৰ কমলাবাৰী শংকৰদেৱ কৃষ্টি সংঘৰ সহযোগত 'মাজুলীৰ ৰাস লীলা, পৰম্পৰা, নান্দনিকতা আৰু প্ৰত্যাহ্বান' শীৰ্ষক এখন আলোচনাচক্ৰৰ আয়োজন কৰা হৈছে। আউনীআটী, চামগুৰি, বেঙেনাআটিকে ধৰি প্ৰায়বোৰ সত্ৰতে শ্ৰীকৃষ্ণৰ ৰাসলীলা উদযাপন কৰা হ'ব। ৰাসৰ পৰিপ্ৰেক্ষিতত ৬ নৱেম্বৰত মাজুলীত স্থানীয় বন্ধৰ দিন ঘোষণা কৰা হৈছে।

নলবাৰীৰ শ্ৰী শ্ৰী হৰি মন্দিৰত অহা ৫ নৱেম্বৰৰ পৰা ১৩ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে। উদ্বোধনী অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ কথা। ৰাস মহোৎসৱৰ দ্বিতীয় দিনা অসম প্ৰকাশন পৰিষদৰ উদ্যোগত গ্ৰন্থমেলাৰ আয়োজন কৰা হৈছে। দৰং জিলাৰ দীঘিৰপাৰত ১১ দিনীয়াকৈ ৰাসৰ আয়োজন কৰা হৈছে। গোগামুখৰ লটাক ৰাস মঞ্চত এইবাৰ ৰাস মহোৎসৱৰ সোণালী জয়ন্তী উদযাপন কৰিব।

৯৮ সংখ্যক বৰ্ষৰ বাবে আয়োজন কৰা হাউলি ৰাস মহোৎসৱত এইবাৰ সুধাকণ্ঠ ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গৰ প্ৰতি বিশেষ শ্ৰদ্ধাঞ্জলি নিবেদন কৰা হ'ব বুলি আমাৰ বৰপেটাৰ সংবাদদাতাই জানিবলৈ দিছে। ইয়াৰ লগতে ৰাস মহোৎসৱৰ সৈতে সংগতি ৰাখি প্ৰদান কৰা হাউলি বঁটা বিশিষ্ট সাহিত্যিক আৰু অভিযন্তা বন্দিতা ফুকনলৈ আগবঢ়োৱা হ'ব।

বিশ্বনাথতো সোণালী জয়ন্তী বৰ্ষ, বিশ্বনাথ ঘাট সাৰ্বজনীন ৰাস সমিতিৰ ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে। এই ৰাস মহোৎসৱত কেলি গোপাল নাট আৰু শ্ৰীকৃষ্ণৰ শিশু লীলা প্ৰদৰ্শনৰ প্ৰস্তুতি সম্পূৰ্ণ হৈছে।

কামৰূপ জিলাৰ পলাশবাৰী, মিৰ্জা অঞ্চলত ৰাসৰ প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। জিলাখনত ৰাসৰ উৎসাহ-উদ্দীপনা আৰু আয়োজন সন্দৰ্ভত এয়া আমাৰ সংবাদদাতা কৌশিক দাস-

***(বাইট ঃ কৌশিক দাস)***

ooooo

ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ কৰ্মচাৰী সন্থাৰ আহ্বান মৰ্মে আজিৰে পৰা স্বাস্থ্য অভিযানৰ কৰ্মচাৰীসকলে ৰাজ্যজুৰি ধৰ্মঘট কাৰ্যসূচী আৰম্ভ কৰিছে। কৰ্মচাৰীসকলৰ সংশোধিত দৰমহাৰ হাৰ বলৱৎ কৰি বেতন সুৰক্ষাসহ দৰমহা আয়োগ আৰু উচ্চতম ন্যায়ালয়ৰ ৰায় অনুযায়ী সম-কামৰ বিপৰীতে সম-দৰমহা আৰু সম-অধিকাৰ প্ৰদানৰ দাবীত এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। ইয়াৰ লগতে ২০২১ চনত অসম ৰাজপত্ৰৰ জাননী অনুযায়ী সম্পূৰ্ণৰূপে কাৰ্যকৰী হোৱাকৈ ৰাজ্য চৰকাৰৰ নিয়মীয়া কৰ্মচাৰীৰ সমহাৰত স্বাস্থ্য অভিযানৰ কৰ্মচাৰীসকলৰো পেঞ্চন, মৃত্যু

পৰৱৰ্তী সা-সুবিধা আৰু অন্যান্য সা-সুবিধাসমূহ প্ৰদান কৰাৰ বাবেও ধৰ্মঘটৰ জৰিয়তে কৰ্মচাৰীসকলে চৰকাৰক আহ্বান জনাইছে। বজালী জিলাত এই উদ্দেশ্যেৰে ছহিদ মদন ৰাউতা অসামৰিক চিকিৎসালয়ৰ সন্মুখত বিক্ষোভ প্ৰদৰ্শনেৰে অৱস্থান ধৰ্মঘট কাৰ্যসূচী গ্ৰহণ কৰা হয়।

ডিব্ৰুগড় জিলাতো যুটীয়া স্বাস্থ্য সঞ্চালকৰ কাৰ্যালয়ৰ সন্মুখত স্বাস্থ্য কৰ্মীসকলে ধৰ্মঘটৰ কাৰ্যসূচী ৰূপায়ণ কৰে। গোৱালপাৰাতো ছদিহ নিধানুৰাম ৰাজবংশী অসামৰিক চিকিৎসালয় প্ৰাংগণত স্বাস্থ্য কৰ্মীসকলে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে। বিশ্বনাথ জিলা আৰু চৰাইদেউ জিলাৰ সদৰ সোণাৰীতো একেদৰে আজিৰে পৰা তিনিদিনীয়াকৈ ধৰ্মঘট কাৰ্যসূচী গ্ৰহণ কৰি প্ৰতিবাদ সাব্যস্ত কৰা হৈছে। ধেমাজি, দৰং, ওদালগুৰি জিলাতো ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ কৰ্মচাৰীসকলে তেওঁলোকৰ দীৰ্ঘদিনীয়া দাবী পূৰণৰ বাবে ধৰ্মঘটত অংশগ্ৰহণ কৰে।

ooooo

ড° ভূপেন হাজৰিকাৰ চতুৰ্দশ মৃত্যুবাৰ্ষিকী উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ৰাজ্যৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত কামৰূপ মহানগৰ জিলা প্ৰশাসনে পৰহিলৈ এটা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰিছে। জালুকবাৰীৰ ড° ভূপেন হাজৰিকা সমন্বয় তীৰ্থত পুৱা ৯ বজাত আৰু লতাশিল খেল পথাৰত দিনৰ ১১ বজাত সুধাকণ্ঠৰ সাংস্কৃতিক অৱদান সুঁৱৰি বিশেষ কাৰ্যসূচী অনুষ্ঠিত হ'ব।

ৰাজ্যৰ বিভিন্ন ঠাইতো পৰহিলৈ ড° ভূপেন হাজৰিকাৰ মৃত্যু বাৰ্ষিকী উপলক্ষে ভিন ভিন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। **বৰপেটা** জিলাত সুধাকণ্ঠৰ মৃত্যু দিন উপলক্ষে ৫ হাজাৰ শিল্পীয়ে **মানুহে মানুহৰ বাবে** গীতটি পৰিৱেশন কৰিব। আজি জিলা আয়ুক্তৰ কাৰ্যালয়ত আয়োজিত সংবাদমেলত জিলাখনৰ আয়ুক্ত ৰোহন কুমাৰ ঝাই এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে বৰপেটা পৌৰসভাৰ খেলপথাৰত দিনৰ ১১ বজাত সুধাকণ্ঠলৈ শ্ৰদ্ধাঞ্জলি নিবেদনেৰে কাৰ্যসূচী আৰম্ভ হ'ব। অনুষ্ঠানত ৩৪ খন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীয়ে অংশ ল'ব।

তিনিচুকীয়া জিলাত বিষ্ণু-জ্যোতি সাংস্কৃতিক সমাজে সেইদিনা ভূপেন্দ্ৰ সংগীত আৰু চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজন কৰিছে।

কাৰ্বি আংলং জিলাৰ ডিফু কাছা ষ্টেডিয়ামতো সুধাকণ্ঠৰ মৃত্যু বাৰ্ষিকী উপলক্ষে ৫ হাজাৰ শিল্পীয়ে মানৱশৃংখল কাৰ্যসূচী অনুষ্ঠিত কৰিব। আজি জিলা আয়ুক্তই এখন সংবাদমেলযোগে এই কথা সদৰি কৰে। সুধাকণ্ঠৰ অমৰসৃষ্টি **মানুহে মানুহৰ বাবে** গীতটিৰ পৰিৱেশনেৰে হাওৰাঘাট আৰু বোকাজান মহকুমাৰ পৰা শিল্পী, জ্যেষ্ঠ নাগৰিক, ছাত্ৰ-ছাত্ৰী আৰু সাংস্কৃতিক সমাজৰ প্ৰতিনিধিৰ উপস্থিতিত এই মানৱশৃংখল গঢ়ি তোলা হ'ব।

ooooo

অসম প্ৰকাশন পৰিষদে ২০২৫ বৰ্ষৰ প্ৰকাশন পৰিষদ সাহিত্য বঁটাৰ বাবে গ্ৰন্থ আহ্বান কৰিছে। ২০২২ চনৰ ১ জানুৱাৰীৰ পৰা ২০২৪ চনৰ ৩১ ডিচেম্বৰৰ ভিতৰত প্ৰকাশিত উপন্যাস, গল্প, নাটক আৰু কাব্য গ্ৰন্থৰ মাজৰ পৰা বাছনি লাভ কৰা গ্ৰন্থৰ লেখক আৰু প্ৰকাশকক এই বঁটাৰে সন্মানিত কৰা হ'ব। পৰিষদৰ সচিব প্ৰমোদ কলিতাই এই বিষয়ে প্ৰকাশ কৰি কয়, যে এই বঁটা লাভ কৰা গ্ৰন্থৰ লেখকক ৫ লাখ টকাৰ সৈতে মানপত্ৰ আৰু প্ৰকাশকক ৩ লাখ টকাৰ সৈতে মানপত্ৰ দিয়া হ'ব। নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত প্ৰকাশিত উপন্যাস, গল্প, নাটক আৰু কাব্যগ্ৰন্থৰ লেখক অথবা প্ৰকাশকে প্ৰ-পত্ৰ পূৰণ কৰি প্ৰেৰণ কৰিব পাৰিব। আবেদন প্ৰ-পত্ৰৰ সৈতে গ্ৰন্থৰ দুটা কপি অহা ২০ নৱেম্বৰৰ ভিতৰত পোৱাকৈ প্ৰেৰণ কৰিব লাগিব। ডাকযোগে প্ৰ-পত্ৰৰ সৈতে গ্ৰন্থৰ

চাৰিটা কপি প্ৰেৰণ কৰিব পাৰিব অথবা অসম প্ৰকাশন পৰিষদৰ কাৰ্যালয়ত নিৰ্ধাৰিত তাৰিখৰ ভিতৰত জমা দিব লাগিব। প্ৰয়োজনীয় প্ৰ-পত্ৰ অসম প্ৰকাশন পৰিষদৰ ৱেবছাইটত পোৱা যাব।

০০০০০

আজি পুৱা চেন্নাইৰ এখন চিকিৎসালয়ত দেহাৱসান ঘটা বিশিষ্ট বাঁহীবাদক দীপক শৰ্মাৰ নশ্বৰদেহ কাইলৈ পুৱা অসমলৈ অনা হ'ব। শিল্পীগৰাকীৰ অন্ত্যেষ্টিক্ৰিয়া ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।

**ৰাইট (চি এম)**

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে অসমৰ সংগীত জগতলৈ অনবদ্য অৱদান আগবঢ়োৱা বাঁহীবাদকগৰাকী দীৰ্ঘদিন ধৰি অসুস্থ হৈ থকাৰ পাছত তেওঁক উন্নত চিকিৎসাৰ বাবে চেন্নাইলৈ নিয়া হৈছিল। শেহতীয়াকৈ শিল্পীগৰাকীৰ স্বাস্থ্যৰ অৱস্থা অধিক জটিল হৈ পৰাৰ পাছত আজি পুৱা ৬ বাজি ১৫ মিনিটত শিল্পীগৰাকীৰ মৃত্যু হয়।

উল্লেখযোগ্য যে নলবাৰী জিলাৰ পানীগাঁৱত জন্মগ্ৰহণ কৰা শিল্পীগৰাকীয়ে গুৱাহাটী বাণিজ্য মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰাৰ লগতে কলকতাৰ ৰবীন্দ্ৰ ভাৰতী বিশ্ববিদ্যালয়ৰ পৰা ইনষ্টুমেণ্টেল মিউজিক বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি সংগীতৰ জগতখনত নিমজ্জিত হৈ পৰিছিল। আকাশবাণীৰ বি-হাইগ্ৰেড লাভ কৰা শিল্পীগৰাকী আকাশবাণী গুৱাহাটীৰ স্বীকৃতিপ্ৰাপ্ত সংগীত পৰিচালকো আছিল। তেওঁ কেইবাখনো অসমীয়া চিনেমাৰ সংগীত পৰিচালনাও কৰিছিল। ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত খ্যাতি লাভ কৰা শিল্পীগৰাকীৰ মৃত্যুত অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনত শোকৰ ছাঁ পৰিছে।

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই শিল্পীগৰাকীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে। এটা শোকবাৰ্তাত ৰাজ্যপালগৰাকীয়ে কয়, যে ভাৰতীয় ধ্ৰুপদী সংগীতলৈ অৱদান অগবঢ়োৱাৰ লগতে বাঁহী বাদনেৰে বিশ্বজুৰি সন্মান অৰ্জন এগৰাকী গুণী শিল্পীক অসমে হেৰুৱালে। ৰাজ্যপালগৰাকীয়ে শিল্পীগৰাকীৰ শোক-সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।

মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই আন্তঃৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন শিল্পীগৰাকীৰ অকাল বিয়োগত মৰ্মাহত বুলি সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে। বাঁহীৰ লহৰ তুলি অনবদ্য সৃষ্টিৰাজিৰে সাংস্কৃতিক জগতক মহীয়ান কৰা দীপক শৰ্মাৰ বিয়োগ জাতীয় জীৱনৰ বাবে বৃহৎ ক্ষতি বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ সংস্কৃতিৰ সাধকগৰাকীৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোক-সন্তপ্ত পৰিয়ালক সমবেদনা জ্ঞাপন কৰিছে।

০০০০০

লৌহ পুৰুষ চৰ্দাৰ বল্লব ভাই পেটেলৰ ১৫০ সংখ্যক জন্ম বাৰ্ষিকী উদযাপন উদ্দেশ্যে আজি ডিফু আৰৰ্ত ভৱনত এখন প্ৰস্তুতি সভা অনুষ্ঠিত হয়। এই উপলক্ষে জিলা আয়ুক্ত নিৰলা ফানছপিৰ সভাপতিত্বত অনুষ্ঠিত সভাত অহা ৮ নৱেম্বৰত হ'বলগীয়া একতা  পদযাত্ৰা কাৰ্যসূচীৰ বিষয়ে বিতংভাৱে আলোচনা কৰা হয়। জিলাখনৰ বিভিন্ন চৰকাৰী বিভাগৰ মুৰব্বীসকলৰ উপস্থিতিত আয়োজিত সভাখনত পদযাত্ৰাৰ পূৰ্বে অমৃত সৰোবৰসমূহ পৰিষ্কাৰ কৰণ, গছপুলি ৰোপণ আৰু চাফাই অভিযানৰ কাৰ্যসূচী গ্ৰহণ কৰিবলৈ উপায়ুক্তগৰাকীয়ে সংশ্লিষ্ট কৰ্তৃপক্ষক দায়িত্ব অৰ্পণ কৰে। দেশৰ শান্তি আৰু একতাৰ চেতনা প্ৰতিফলিত কৰাৰ উদ্দেশ্যেৰে তাৰালাংছ'ৰ পৰা

ডিফু ষ্টেডিয়ামলৈ এই একতা পদযাত্ৰা উলিওৱা হ'ব। পদযাত্ৰাৰ নিৰ্দিষ্ট কিছু ক্ষেত্ৰত সাংস্কৃতিক কাৰ্যসূচী প্ৰদৰ্শন কৰা হ'ব।

০০০০০

মহিলা বিশ্বকাপত ভাৰতীয় দলটোৱে চেম্পিয়নৰ খিতাপ দখলৰ পাছত ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ বি চি চি আয়ে ৫১ কোটি টকাৰ পুৰস্কাৰ ঘোষণা কৰিছে। খেলুৱৈ, প্ৰশিক্ষক, নিৰ্বাচক আৰু সহায়ক কৰ্মচাৰী সকলোৰে বাবে এই পুৰস্কাৰ ঘোষণা কৰা হৈছে বুলি বি চি চি আইৰ সচিব দেৱজিৎ শইকীয়াই সংবাদ মাধ্যমৰ আগত অৱগত কৰিছে।

উল্লেখযোগ্য যে, ভাৰতে যোৱা নিশা আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমটো খিতাপ জয় কৰিবলৈ সমৰ্থ হয়। নৱী মুম্বাইৰ ড০ ডি ৱাই পাটিল স্প'ৰ্টছ একাডেমীত যোৱা নিশা অনুষ্ঠিত ফাইনেলত ভাৰতে দক্ষিণ আফ্ৰিকাক ৫২ ৰানত পৰাজিত কৰি চেম্পিয়নৰ খিতাপ অৰ্জন কৰে। ইতিহাস সৃষ্টিকাৰী ভাৰতীয় বিশ্বকাপ জয়ী দলটোৰ অসমৰ উমা চেত্ৰীও অন্যতম সদস্য আছিল।

০০০০০

সমাপ্ত